**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি উত্তৰ-পূৰ্বাঞ্চললৈ আগমন। ৰে'ল মানচিত্ৰত মিজোৰামৰ ৰাজধানী আইজলৰ প্ৰধানমন্ত্ৰীৰ হাতেৰে আনুষ্ঠানিক অন্তৰ্ভুক্তি। মিজোৰাম আৰু মণিপুৰত কেইবাশ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। গুৱাহাটীৰ খানাপাৰা খেলপথাৰত আজি ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ বৰ্ণাঢ্য অনুষ্ঠান প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ। কাইলৈ মোদীৰ মঙলদৈ, নুমলীগড়ত কেইবাটাও কাৰ্যসূচী।

৩। বি টি আৰত শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত। বি টি চিৰ ৰাইজৰ সুৰক্ষা, নিৰাপত্তা, শান্তিয়ে বিজেপিৰ প্ৰথম লক্ষ্য বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

**আৰু**

৪। এছিয়া কাপত পাকিস্তানৰ জয়েৰে আৰম্ভণি। প্ৰতিযোগিতাত কাইলৈ চিৰপ্ৰতিদ্বন্দ্বী ভাৰত আৰু পাকিস্তানৰ খেল।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে আজি মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে আজি দিনৰ ১০ বজাত আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনিৰ্মিত বৈৰবী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চুড়াচান্দপুৰ, ইম্ফলত দুখন জনসভাত অংশ ল'ব। শ্ৰী মোদীয়ে ৰাজ্যখনত ৮ হাজাৰ কোটিৰো অধিক টকা মূল্যৰ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ মণিপুৰ ভ্ৰমণ সন্দৰ্ভত আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ বিশেষ প্ৰতিবেদন –

বাইট

ইপিনে, আজি আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড° ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে

পৰিৱেশন কৰিব। ইপিনে, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি নিশা খানাপাৰাত সুধাকণ্ঠ ডং ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কাইলৈ মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। কাইলৈ তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ নুমলীগড় ভ্ৰমণ সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় –

বাইট (হিৰণ্য গগৈ)

এই কাৰ্যসূচীৰ পাছত প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰ হৈ কলকাতালৈ উভতি যাব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ভাগ ল'বলগীয়া সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব। বিয়লি পাঁচ বাজি ১০ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত এই অনুষ্ঠান প্ৰচাৰিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া পাঁচ বাজি ১৫ মিনিটৰ বিয়লিৰ আঞ্চলিক বাতৰি আৰু সন্ধিয়া ছয় বজাৰ সন্ধিয়াৰ উজনি অসমৰ বাতৰি প্ৰচাৰিত নহয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ মঙলদৈৰ পুনিয়াত হ'বলগীয়া জনসভাৰ পৰিপ্ৰেক্ষিতত আজি মাজনিশাৰ পৰা কাইলৈ মাজনিশা পৰ্যন্ত কাৰ্যকৰী হোৱাকৈ বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈকে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে সকলোধৰণৰ গধূৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। তদুপৰি দৰং জিলা প্ৰশাসনে এই সময়ছোৱাত ৰাষ্ট্ৰীয় ঘাইপথৰ আউলাচৌকাৰ পৰা বেজপাৰা-ইছলামপুৰ চাৰিআলি হৈ কেৰিমেৰি পথেৰে মঙলদৈ নগৰৰ বাহিৰেৰে চাৰিচকীয়া লঘু যান-বাহনৰ চলাচল কৰোৱাৰ নিৰ্দেশ দিছে।

০০০০০০

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আকাশবাণীৰ আইজল আৰু ইম্ফলৰ সংবাদদাতা দুগৰাকীও টেলিফোনযোগে সংযুক্ত হ'ব। জ্যেষ্ঠ সাংবাদিক মনীষ গোস্বামী, এমট্ৰনৰ পৰামৰ্শদাতা বসন্ত বৰঠাকুৰ আৰু পথ অভিযান্ত্ৰিক বিষয়ৰ পৰামৰ্শদাতা ত্ৰিদীপ চাংমাইয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ। এই অনুষ্ঠান ৰাজ্যখনৰ কেইবাটাও আকাশবাণী কেন্দ্ৰই ৰিলে কৰিব।

আনহাতে, কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত আমাৰ সংবাদদাতা সকলৰ প্ৰতিবেদনৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰই এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ

এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

বিটিচি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিটিআৰত বিজেপি প্ৰাৰ্থীৰ হৈ বহুকেইখন সভাত অংশগ্ৰহণ কৰাৰ লগতে ইউ পি পি এলৰ প্ৰাৰ্থীৰ হৈ প্ৰমোদ বড়ো, বি পি এফৰ প্ৰাৰ্থীৰ হৈ হাগ্ৰামা মহিলাৰীয়ে বিভিন্ন স্থানত সভাত অংশ লৈ ভোটাৰক আকৰ্ষণৰ চেষ্টা চলাই আহিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি চিৰাং জিলাৰ বিজনী মহকুমাৰ মানস ছেৰফাং পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সুভাষ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰী কৌশিক ৰায়, ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ অনুসূচীত জাতি মৰ্চাৰ সভাপতি নবাৰুণ মেধি, চিৰাং জিলা বিজেপিৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, বঙাইগাঁও জিলা বিজেপিৰ সভাপতি উজ্জলকান্তি ৰয়ো উপস্থিত থাকে। সভাত কেইবাহাজাৰো দলীয় কৰ্মী সমৰ্থকে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কোকৰাঝাৰৰ ভাওৰাগুৰিত দলীয় প্ৰাৰ্থী মহেশ্বৰ বসুমতাৰীৰ হৈ আন এখন নিৰ্বাচনী প্ৰচাৰ সভাতো ভাগ লয়। নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বি টি আৰত বিজেপি আগবাঢ়ি থকা বুলি উল্লেখ কৰে। তেওঁ কয়, যে বিজেপিয়ে বি টি আৰত সুস্থ পৰিৱেশ ৰক্ষা কৰি নিৰ্বাচনী প্ৰচাৰ চলাই আহিছে। বি টি চিৰ জনসাধাৰণৰ সুৰক্ষা, নিৰাপত্তা আৰু শান্তি পৰৱৰ্তী পাঁচ বছৰত বিজেপিৰ প্ৰথম লক্ষ্য হ'ব বুলিও তেওঁ কয়। বি টি আৰত ৰাজ্য চৰকাৰৰ সকলো আঁচনি ৰূপায়ণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই বি টি আৰৰ প্ৰতিটো জনগোষ্ঠীৰ মাজত থকা সমন্বয় অতি দৃঢ়তাৰে ধৰি ৰখাৰ লগতে ২৬ টা জনগোষ্ঠীৰ কলা-সংস্কৃতিক জগতসভালৈ লৈ যোৱাৰ চেষ্টা চলোৱা হ'ব বুলিও কয়।

ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি গুৱাহাটীৰ বাজপেয়ী ভৱনত আয়োজিত এটা অনুষ্ঠানত বিটিচি নিৰ্বাচনৰ বাবে বিজেপিৰ সংকল্প পত্ৰ উন্মোচন কৰে। অনুষ্ঠানত অসমীয়া, বড়ো, বাংলা, আদিবাসী আৰু নেপালী ভাষাত প্ৰস্তুত কৰা নিৰ্বাচনী গীতো মুকলি কৰা হয়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও বাক্সা জিলাৰ বৰমাত সংকল্প পত্ৰ উন্মোচন কৰে। **শান্তিপূৰ্ণ, সুৰক্ষিত, বিকশিত বিটিআৰ**- সংকল্প পত্ৰৰ মূল বিষয় বুলি মন্ত্ৰী শ্ৰীদাসে প্ৰকাশ কৰে। এই সংকল্প পত্ৰত বিজেপিৰ ৮টা গেৰাণ্টি সন্নিবিষ্ট কৰাৰ লগতে বিটিআৰ তথা বাক্সাৰ বাবে কেইবাখনো নতুন আঁচনি তথা প্ৰকল্পৰ কথা সন্নিবিষ্ট হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাক্সা জিলাতো ৰাজনৈতিক দলসমূহে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। জিলাখনৰ বাগানপাৰা পৰিষদীয় সমষ্টিত বিজেপিৰ লগতে ইউ পি পি এল আৰু বিপিএফে তীব্ৰ প্ৰচাৰ চলাইছে। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী ৰেখাৰাণী দাস বড়োৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰচাৰ চলাইছে। জিলাখনৰ নিৰ্বাচনী প্ৰচাৰৰ ৰেহৰূপ সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে-

***(বাইট)***

০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ এৰ এখন খেলত পাকিস্তানে অ'মানক ৯৩ ৰানত পৰাস্ত কৰি জয়েৰে নিজৰ অভিযান আৰম্ভ কৰে। পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৬০ ৰানৰ প্ৰত্যুত্তৰত অ'মানে ১৬ অ'ভাৰ আৰু চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৬৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ হামিদ মিৰ্জাই সৰ্বাধিক ২৭ ৰানৰ

বৰঙণি আগবঢ়ায়। পাকিস্তানৰ ফাহিম আছৰাফ মুকিম আৰু আয়ুবে দুটাকৈ আৰু আফ্ৰিডি, আবৰাৰ আহমেদ আৰু নাৱাজে এটাকৈ উইকেট দখল কৰে। প্ৰতিযোগিতাত আজি বাংলাদেশ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ হ'বলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ মুখামুখি হ'ব।

০০০০০০

NPR/RNU (13-09-2025) MRN.

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণৰ বাতৰিৰ সবিশেষ প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে অডিট ব্যুৰ' অৱ্ চাৰ্কুলেচনৰ তথ্যৰে দেশত দৈনিক বাতৰি কাকতৰ প্ৰচলনৰ সংখ্যা ২ দশমিক ৭ - ৭ শতাংশ বৃদ্ধি হোৱাৰ এটা আশাব্যঞ্জক বাতৰি প্ৰকাশ কৰিছে। বি টি চি নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত বিজেপিয়ে কালি ৮ টা লক্ষ্যৰ সংকল্প পত্ৰ আৰু কেইবাটাও ভাষাত নিৰ্বাচনী গীত মুকলি কৰে। এই বাতৰি **দৈনিক জনমভূমি** কাকতৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে নেপালৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে দেশখনৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ সুশীলা কাৰ্কিয়ে কালি শপতগ্ৰহণ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে মৰাণ ছাত্ৰসন্থাই প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ দিনটো আজি ক'লা দিৱস হিচাপে ঘোষণা কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে জনজাতিকৰণৰ নামত চৰকাৰৰ ভুৱা প্ৰতিশ্ৰুতি, প্ৰৱঞ্চনা আৰু প্ৰতাৰণাৰ প্ৰতিবাদত এই ক'লা দিৱস ঘোষণা কৰিছে। গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভত কেবিনেটত আলোচনাৰ পাছত এছ্ আই টিৰ প্ৰতিবেদন ৰাজহুৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণাৰে বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে ই-চালানত ৫৪ হাজাৰ কোটিৰ জৰিমণা শিৰোণামেৰে বাহনৰ ওপৰত অত্যধিক জি এছ্ টি, টোলগেটত কৰৰ বোজা গ্ৰাহকৰ ওপৰত জাপি দিয়া সন্দৰ্ভত এটা বাতৰি প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে ডিটেনচন কেম্পত এজনো হিন্দু বঙালী নাই, ডি ভোটাৰক লৈ দুঃচিন্তা নকৰিব শিৰোনামেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে। ভুৱা চিকিৎসকৰ দৌৰাত্ম সন্দৰ্ভত **দৈনিক অগ্ৰদূত** কাকতে বাতৰি প্ৰকাশ কৰিছে। চি পি ৰাধাকৃষ্ণণে কালি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ এটা বাতৰি **দি ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে গাজনি-ঢেৰেকনীৰে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত